بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধৰ উদ্ধৃতিত আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ইতিহাস সমূহৰ ঈমান বৰ্দ্ধক ঘটনাৱলী।**

**পূৱ আৰু মধ্যম প্ৰান্তত যুদ্ধৰ দৃষ্টি কোণত বিশেষ দোৱাৰ আবেদন**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৭ নৱেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা খোতবাৰ শেষত আঁহজৰত (ছাঃ)ৰ জীৱনী সন্দৰ্ভত যি ইতিহাস বৰ্ণনা কৰা হৈছিল তাতে ফাৰাত বিন হায়াতৰ ইছলাম গ্ৰহণ কৰাৰ কথা উল্লেখ আছিল, তাৰ বিস্তাৰিত বিৱৰণ এয়া যে তেওঁ গ্ৰেপ্তাৰ হৈ কয়েদী হৈছিল। বদৰৰ যুদ্ধৰ দিনা তেওঁ ক্ষত-বিক্ষত হৈছিল; গতিকে তেওঁ কেনেকৈ কয়েদী পৰা পলায়ন কৰিছিল ? হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেওঁক দেখাৰ পিছত কৈছিল যে এতিয়া তুমি নিজৰ কাৰ্যকলাপ পৰিৱৰ্তন কৰা আৰু ইছলাম গ্ৰহণ কৰি লোৱা। এই কথা শুনাৰ লগে লগে তেওঁ আঁহজৰত (ছাঃ)ৰ ফালে ৰাওনা হয় আৰু এজন আনছাৰ বন্ধুৰ সৈতে সাক্ষাৎ কৰি কয় যে মই মুছলমান হৈছো। সেই আনছাৰীজনে ৰছুলুল্লাহ (ছাঃ)ক কয় যে তেওঁ ইছলাম গ্ৰহণ কৰিছে। তেখেত (ছাঃ)য়ে কয় যে যদি তেওঁ ইছলাম গ্ৰহণ কৰি লোৱা বুলি কয়, তেন্তে এয়া তেওঁৰ আৰু আল্লাহৰ মামলা। তেওঁৰ ইছলাম গ্ৰহণ কৰাৰ কথা শুনি তেখেত (ছাঃ)য়ে তেওঁক ৰেহাই কৰি দিয়ে।

ঘটনাত হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ এটা ঘটনা উল্লেখ আছে তেওঁক জামাদিল আখিৰ মাহৰ তিনি হিজৰীত কাৰদাহ ঠাইলৈ প্ৰেৰণ কৰা হয়। এই ঘটনাক হজৰত মিৰ্জা বশিৰ আহমেদ চাহাবে এইদৰে লিখিছে যে বনু ছালিম আৰু বনু গুচফানৰ আক্ৰমণৰ পৰা মুছলমান সকলে কিছু বিৰাম পোৱাৰ পিছত আকৌ ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হৈ নিজৰ দেশৰ পৰা ওলাব লগা হ'ল। সেই সময়ত কুৰাইশ সকলে নিজৰ বেপাৰ-বাণিজ্যৰ কামৰ বাবে হিজাজৰ প্ৰান্তত থকা বাট সমূহ অৱলম্বন কৰি শ্বামৰ ফালে গৈছিল; কিন্তু সিহঁতে এই বাট ত্যাগ কৰিছিল; কাৰণ সেই এলেকাৰ মানুহ মুছলমান সকলৰ মিত্ৰ হৈ পৰিছিল, সেই কাৰণে সিহঁতে নাজাদৰ বাট অৱলম্বন কৰিছিল যি বাট ইৰাকলৈ গৈ পাইছিল; আৰু যাৰ আশে-পাশে প্ৰাণৰ শত্ৰু কবিলা ছালিম আৰু গুচফানৰ

বাসস্থান আছিল। অর্থাৎ জামাদিল আখিৰ মাহত আঁহজৰত (ছাঃ)লৈ সংবাদ গৈ পায় যে কুৰাইছৰ এটা কবিলা নাজদৰ বাট অৱলম্বন কৰিছে। তেখেত (ছাঃ)য়ে এই কথা শুনাৰ লগে লগে জায়েদ বিন হাৰছা (ৰাঃ)ৰ নেতৃত্বত চাহাবা সকলক প্ৰেৰণ কৰে। জায়েদ (ৰাঃ)য়ে বৰ সাৱধানতাৰে নিজৰ দায়িত্ব পালন কৰে আৰু নাজদৰ কাৰদাহ নামৰ ঠাইলৈ গৈ পায়। হঠাতে ভয়াবহ আক্ৰমণৰ ফলত কুৰাইশ সকলে সা-সামগ্ৰী এৰি পলায়ন কৰে। জায়েদ বিন হাৰছা (ৰাঃ)য়ে বহু মালে গনিমত লৈ মদিনালৈ উভতি আহে।

আন এটা ঘটনা কাআব বিন আশৰফৰ হত্যাৰ ঘটনা যিজন মদিনাৰ চৰ্দাৰ আছিল; তেওঁ আঁহজৰত (ছাঃ)ৰ চুক্তিৰ অন্তৰ্ভুক্ত আছিল। পিছত তেওঁ ফিৎনা-ফাছাদ বিস্তাৰ লাভ কৰাৰ প্ৰয়াস কৰিছিল; সেই কাৰণে তেখেত (ছাঃ)য়ে তেওঁক হত্যা কৰাৰ আদেশ দিছিল। বুখাৰী শ্বৰীফৰ হাদীছত উল্লেখ পোৱা যায় যে হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে বয়ান কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে,কাআবৰ সৈতে কোনে মোকাবিলা কৰিব? তেওঁ আল্লাহ আৰু আল্লাহৰ ৰছুলক বৰ আঘাত হানিছে। মহম্মদ বিন মুছলিমা (ৰাঃ) থিয় হয় কয় যে মই তেওঁক মাৰি পেলাম। তেওঁ এটা অজুহাত লৈ কাআবৰ ওচৰলৈ আহি কয় যে মহম্মদ (ছাঃ)য়ে আমাৰ পৰা দান-বৰঙণি বিচাৰে; যাৰ ফলত আমাক অসুবিধাত পেলাই দিছে। মই তোমাৰ ওচৰলৈ এই কাৰণেই আহিছো যে কিছু টকা ধাৰ লওঁ। কাআবে কয় যে সেই দিন বেছি দূৰত নহয় যে তুমি সেই ব্যক্তিৰ পৰা বিমুখ হৈ তেওঁক ত্যাগ কৰিবা। মহম্মদ বিন মুছলিমা (ৰাঃ)য়ে কয় যে আমি তেখেতৰ অনুসাৰী হৈছো সেই কাৰণে আমি তেখেতক ত্যাগ কৰিব নোৱাৰো। তাৰ পিছত কাআবে কয় যে তেন্তে তোমাৰ মহিলা বা সন্তান মোৰ ওচৰত বন্ধক ৰাখি দিয়া। মহম্মদ বিন মুছলিমাই কয় যে এয়া অসম্ভৱ। আমি আমাৰ খেতি-বাৰি বন্ধক হিচাপে ৰাখিব পাৰো। এই কথাত কাআবে মানি লয়; যেতিয়া ৰাতি হয় তেতিয়া তেওঁ কাআবৰ কোঠালিত প্ৰৱেশ কৰি তেওঁক ঘৰৰ পৰা উলিয়াই বৰ উৎফুল্লিত হৈ তেওঁক হত্যা কৰে।

ইয়াৰ বিস্তাৰিত ব্যাখ্যা বুখাৰীৰ শাখা উমদাতুল কাৰীত উল্লেখ আছে যে মহম্মদ বিন মুছলিমাই নিজৰ লগৰীয়াৰ সৈতে কাআবৰ ওপৰত আক্ৰমণ কৰি হত্যা কৰা সময়ত তেওঁৰ নিজৰ এজন লগৰীয়া হজৰত হাৰিছ বিন আউছ সিহঁতৰ নিজৰে তৰোৱালৰ চোকা অংশ লাগি ক্ষত-বিক্ষত হৈছিল। তেওঁৰ লগৰীয়া সকলে অতি সোনকালে তেওঁক উঠাই লৈ মদিনালৈ গৈ আঁহজৰত (ছাঃ)ৰ সন্মুখত উপস্থিত হয়। হজৰত মহম্মদ (ছাঃ)য়ে হজৰত হাৰিছ বিন আউছৰ ক্ষত-বিক্ষত হোৱা ঠাইত নিজৰ লালী লগায়; তাৰ পিছত তেওঁ কষ্টৰ পৰা আৰাম পায়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে যেতিয়া কাআবৰ হত্যাৰ খবৰ বিস্তাৰিত হয় তেতিয়া ইহুদী সকলৰ এটা দলে আঁহজৰত (ছাঃ)ক অভিযোগ উত্থাপন কৰে যে আমাৰ চৰ্দাক এইদৰে হত্যা কৰি দিলে। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে সিহঁতক কাআবৰ ফিৎনা, অশ্লিলতা, চুক্তি ভঙ্গ কৰা আদি কথাবোৰ স্মৰণ কৰালে তাৰ পিছত লোক সকলে ভীতিগ্ৰস্ত হৈ নিস্তব্ধ হৈ পৰিলে; আৰু পৰৱৰ্তীৰ বাবে এটা নতুন চুক্তি লিখিলে যে …সিহঁতে ফিৎনা ফাছাদৰ পৰা আঁতৰত থাকিব বুলি অঙ্গীকাৰ কৰিলে।

ইতিহাসৰ কতো এয়া উল্লেখ পোৱা নাযায় যে ইয়াৰ পিছত ইহুদী সকলে কাআব বিব আশ্বৰফৰ হত্যাৰ কথা উল্লেখ কৰি মুছলমান সকলৰ ওপৰত অভিযোগ উত্থাপন কৰিছে। কাৰণ সিহঁতৰ হৃদয়ে অনুতাপ কৰিছিল যে কাআব শাস্তিৰ পোৱাৰ যোগ্য।

কিছুমান ইতিহাসবিদ সকলে অভিযোগ উত্থাপন কৰে যে আঁহজৰত (ছাঃ)য়ে এই হত্যা অবৈধ ভাৱে কৰোৱাইছিল। কিন্তু সুস্পষ্ট যে এই হত্যা অবৈধ ভাৱে হোৱা নাছিল। কাৰণ কাআব বিন আশ্বৰফে আঁহজৰত (ছাঃ)ৰ সৈতে শান্তি ৰক্ষাৰ চুক্তি কৰিছিল। মুছলমান সকলৰ বিৰুদ্ধে কিবা কিছু কৰাটো দূৰৰ কথা তেওঁ এই কথাও স্বীকাৰ কৰিছিল যে তেওঁ বাহিৰৰ শত্ৰুৰ বিৰুদ্ধে মুছলমান সকলৰ সহায় কৰিব; আৰু মুছলমান সকলৰ

সৈতে বন্ধুত্বসূলভ আচৰণ কৰিব। কিন্তু তেওঁ মুছলমান সকলৰ বিৰুদ্ধে ফিৎনা ফাছাদ সৃষ্টি কৰি যুদ্ধৰ অগ্নি জ্বলোৱাৰ বাবে প্ৰয়াস কৰিছে আৰু তেখেত (ছাঃ)ক হত্যা কৰাৰ চক্ৰান্ত কৰিছে। তেওঁৰ অপৰাধ এনেকুৱা আছিল যে তেওঁ ভীষণ শাস্তিৰ যোগ্য হৈ পৰিছিল। আজিকালি সভ্যতাশীল কওঁতা দেশবোৰে ফিৎনা ফাছাদ সৃষ্টিকাৰী,চুক্তি ভঙ্গকাৰী, সীমা অতিক্ৰম কৰোতা, যুদ্ধ আৰু চক্ৰান্ত কৰা অপৰাধীক শাস্তি দিয়ে; তেন্তে এই অভিযোগ কিয় উত্থাপন হয় ? আজিকালি পেলেষ্টাইন আৰু ইজৰাইলৰ মাজত ইয়াতোকৈ অধিক বৃদ্ধি পাইছে যি কেইবাফালৰ পৰা বৈধ নহয়।

দ্বিতীয় প্ৰশ্ন এয়া হয় যে নীৰৱে তেওঁক হত্যা কৰা হৈছে। আৰব দেশত বৰ্তমান প্ৰত্যেকজন ব্যক্তি আৰু কবিলা স্বাধীন। এনে পৰ্যায়ত কোনটো আদালত আছিল য'ত কাআবৰ বিৰুদ্ধে মোকৰ্দমা দায়েৰ কৰি নিয়মিত ভাৱে হত্যা কৰাৰ আদেশ ললেহেঁতেন ? চুক্তি কৰা হিচাপে আঁহজৰত (ছাঃ)ৰ বাবে এয়া বৈধ আছিল যে বিবাদ আৰু বিষয়াৱলী সন্দৰ্ভত যি সিদ্ধান্ত বৈধ বুলি ভাৱে সেয়াই কৰে। গতিকে তেখেত (ছাঃ)য়ে দেশৰ শান্তি ৰক্ষাৰ্থে কাআবৰ ফিৎনা ফাছাদৰ কাৰণে তেওঁক হত্যা কৰোৱাইছে তেন্তে কাৰোবাৰ এই অধিকাৰ নাথাকে যে তেখেত (ছাঃ)ৰ সিদ্ধান্তৰ ওপৰত আপত্তি উত্থাপন কৰিব। ইতিহাসৰ পৰা প্ৰতীয়মান যে ইহুদী সকলে নিজেই কাআবৰ অপৰাধৰ ফালে দৃষ্টি নিক্ষেপ কৰি তেওঁ শাস্তিৰ যোগ্য বুলি ভাৱি নীৰৱ আছিল আৰু কোনোবাই আপত্তি উত্থাপন কৰা নাছিল।

হুজুৰ কয় যে সেই সময় কালত হজৰত হাফচা (ৰাঃ)ৰ দ্বিতীয় বিয়া হৈছিল যিগৰাকী হজৰত উমৰ (ৰাঃ)ৰ ছোৱালী আছিল। তাই এজন নিষ্ঠাবান চাহাবা খুনেছ বিন হাজাফা (ৰাঃ)ৰ বন্ধনত আছিল যিজন বদৰৰ যুদ্ধৰ পিছত ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে। হজৰত হাফচা (ৰাঃ)ৰ স্বামীয়ে অসময়ত মৃত্যু হোৱাৰ কাৰণে তাই মনত বৰ দুঃখ পাইছিল। হজৰত উমৰ (ৰাঃ)ৰ সম্বন্ধক শক্তিশালী কৰাৰ বাবে আৰু হজৰত হাফচা (ৰাঃ)ৰ লিখা-পঢ়াৰ যোগ্যতাৰ প্ৰতি দৃষ্টিগোচৰ হৈ প্ৰচাৰ আৰু শিক্ষামূলক কামবোৰ বিস্তাৰিত বাবে বিস্তাৰ লাভ কৰাৰ কাৰণে আঁহজৰত (ছাঃ)য়ে শ্বাবান মাহৰ তিনি হিজৰীত তাইৰ সৈতে বিয়া পাতে। হজৰত হাফচা (ৰাঃ)ৰ মৃত্যু কম-বেছি ৬৩ বছৰ বয়সত ৪৫ হিজৰীত ইহলীলা সম্বৰণ কৰিছিল।

দুই হিজৰীৰ ঘটনাত হজৰত আলি (ৰাঃ) আৰু হজৰত ফাতিমা (ৰাঃ)ৰ বিয়াৰ কথা উল্লেখ হৈছে। সিহঁতৰ ৰমজান মাহৰ তিনি হিজৰীত অৰ্থাৎ বিয়াৰ দহ মাহ পিছত এজন সন্তান জন্ম পায় যাৰ নাম তেখেত (ছাঃ)য়ে হাছান (ৰাঃ) ৰাখিছিল যাৰ সম্বন্ধে তেখেত (ছাঃ)য়ে কৈছিল যে মোৰ এই সন্তান ছৈয়দ অৰ্থাৎ চৰ্দাৰ হয়; এটা সময় আহিব যে খোদা তালা তেওঁৰ জৰিয়তে মুছলমান সকলৰ দুটা দলৰ মাজত সংশোধন কৰোৱাব। অৰ্থাৎ এই ভৱিষ্যদ্বাণী পূৰ্ণ হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবাৰ শেষত পেলেষ্টাইনৰ মুছলমান সকলৰ বাবে দোৱাৰ আবেদন জনাই কয় যে মই যোৱা কেইবাটাও খোতবাত পেলেষ্টাইনৰ বাবে দোৱাৰ আবেদন কৰি আছো; আজিও এই সন্দৰ্ভত ক'ব বিচাৰো যে দোৱা অব্যাহত ৰাখিব। এতিয়া অত্যাচাৰ সীমা চেৰাই গৈছে। হামাছৰ সৈতে যুদ্ধৰ নামত নিৰ্দোষ শিশু,মহিলা, বুঢ়া, ৰোগী সকলক হত্যা কৰি আছে। প্ৰত্যেক ধৰণৰ যুদ্ধৰ নিয়ম নীতিক নামধাৰী পাৰ্থিব জগতে সভ্যতাক এফালে ৰাখি দিছে। আল্লাহ তালা মুছলমান দেশবোৰক জ্ঞান প্ৰদান কৰক। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ৭২, ৭৩ বছৰ আগতে এয়া কৈছে যে মুছলমান সকলে ঐক্যবদ্ধ হোৱা উচিত। সিহঁতে সিদ্ধান্ত গ্ৰহণ কৰক যে যদি ঐক্যবদ্ধ নহয় তেন্তে ভাৱক যে এটা এটাকৈ নিজকে বিনাশ কৰিব নে বা ঐক্যবদ্ধ হৈ নিজৰ অস্তিত্বক জীৱিত ৰাখিব ? এতিয়াও যদি লোক সকলে এই কথাক বুজি পালেহেঁতেন আৰু ঐক্যবদ্ধ হলহেঁতেন। বৰ্তমান পৰিস্থিতি এনেকুৱা যে মোক কোনোবাই কৈছে যে উমৰা কৰিবলৈ যোৱা সকলক কৈ আছে যে তাতে গৈ পেলেষ্টাইন বা ইজৰাইলৰ যুদ্ধ সন্দৰ্ভত কোনো কথাকে নাপাতিব; তাৰে শাসনকৰ্তাই ভিজা দিয়া সময়ত এই

হিদায়ত প্ৰদান কৰিছে। যদি এই কথা সত্য তেন্তে মুছলমান শাসনকৰ্তাৰ ফালৰ এয়া কাপুৰুষতা হোৱা বুলি প্ৰকাশ কৰি আছে। উমৰাৰ উপাসনাৰ অধিকাৰ পালন কৰা উচিত। সেই সময়ত কোনো বেলেগ ধৰণৰ কোনো কথা হোৱা উচিত নহয়, কিন্তু অত্যাচাৰৰ বলি হোৱা পেলেষ্টেইন লোক সকলৰ বাবে দোৱা নিশ্চয় কৰা উচিত। তাতে যোৱা সকলে নিশ্চয় সিহঁতৰ বাবে দোৱা কৰা উচিত।

আজিকালি মুছলিম শাসনকৰ্তাই মাত মাতিলে সেয়া মৃদু আৰু দুৰ্বল। কিছুমানে মাত মাতিছে কিন্তু সেই মাততকৈ আন আন অমুছলিম লোক সকল আৰু ৰাজনীতি কৰা লোক সকলৰ মাতেই অধিক প্ৰবল। আল্লাহ তা'লা মুছলমান সকলক জ্ঞান প্ৰদান কৰক। ইউ, এনৰ সচিবে ভাল কথাই কৈছে। আজিকালি সিহঁতেই ভাল কথা কৈ আছে কিন্তু ধাৰণা হয় সেই মাতৰ কোনো গুৰুত্বই নাই। এই যুদ্ধ যদি বিস্তাৰ লাভ কৰে আৰু সমগ্ৰ বিশ্বজুৰি যুদ্ধৰ ৰূপ ধাৰণ কৰে, তেন্তে বিশ্বৰ অন্ত হৈ যোৱাৰ পিছত ইউ,এনৰও অন্ত পৰিব। আল্লাহ তা'লা জগতবাসীক জ্ঞান প্ৰদান কৰক। ধাৰণ হৈ আছে যে পৃথিৱীয়ে ধ্বংসক অতি কাষ চাপি লৈ আহি আছে; এই ধ্বংসৰ পিছত যিসকল লোক জীৱিত থাকিব সেই সকলক খোদা তা'লা জ্ঞান দান কৰক। সিহঁতে যেন খোদা তা'লাৰ ফালে অৱনমিত হয় আৰু খোদাৰ ফালে উভতি যায়। এনে পৰিস্থিতিত আমি অধিক দোৱা কৰা উচিত। আল্লাহ তা'লা জগতখনৰ ওপৰত দয়া কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 17 Nov 2023

**BOOK POST (PRINTED MATTER)**

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844